লয়।

- মানুহেই জনসংখ্যা বৃদ্ধি কৰি ব্যক্তিগত, পৰিয়াল, সামাজিক আৰু ৰাষ্ট্ৰীয় কল্যাণৰ ক্ষেত্ৰত ভাবুকি আনিছে। যিহেতু জনসংখ্যাৰ সমস্যা মানৱসৃষ্ট গতিকে ইয়াৰ সমাধান নিৰ্ভৰ কৰে মানুহৰ বিবেচনাপূৰ্ণ চিন্তা আৰু কৰ্মৰ ওপৰত। ইয়াৰ বাবে জনসংখ্যা শিক্ষাৰ যোগেদি মানুহক জনসংখ্যা সমস্যাৰ ক্ষেত্ৰত নিজৰ ভূমিকা সম্পৰ্কে সজাগতা-সচেতন আৰু কৌশলী কৰি তুলিব লাগিব।
- নাৰীক সমাজত সঠিক স্থান দি সমাজত থকা লিংগ-বৈষম্য দূৰ কৰি নাৰীক আৰ্থ-সামাজিক বিকাশৰ সম-অংশীদাৰ কৰি তোলাত জনসংখ্যা শিক্ষাৰ ভূমিকা আছে।
- জনসংখ্যা শিক্ষাৰ প্ৰকৃতি আচৰণগত আৰু বহু বিষয়যুক্ত হোৱা হেতু ইয়াক সমাজৰ মূল্যবোধ পৰিৱৰ্তনৰ শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি।



১.৬ অধিক জানিবলৈ

১) Aggarwal, J.C. (2010). *Theory and Principles of Education.* New Delhi: Vikash Publishing House Pvt. Ltd.

২) Gupta, P.K. (2012). *Population Education*. Meerut: R.Lall Book Depot.

৩) Nanda, S.K. (2008). *Population Education.* Delhi: Doaba House.

৪) Seshadri, C., and Pandey, J. L. (eds). 1991. *Population Education: A National Source Book* Vol- I. New Delhi: NCERT.

৫) Sharma, R. C. 1991. “An Overview of Population Education” in Seshadri, C. and Pandey, J. L. (eds). op cit.

৬) http://egyankosh.ac.in/bitstream/123456789/43753/1/Unit-1.pdf

১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা হ’ল এক শৈক্ষিক কাৰ্যসূচী। ইয়াত পৰিয়াল, সম্প্ৰদায়, ৰাষ্ট্ৰ আৰু বিশ্বৰ জনসংখ্যাৰ পৰিস্থিতি সম্পৰ্কে অধ্যয়ন কৰা হয় যাতে শিক্ষাৰ্থীয়ে এই পৰিস্থিতিৰ প্ৰতি যুক্তিযুক্ত আৰু দায়িত্বশীল মনোভাৱ আৰু আচৰণ গঢ়ি তুলিব পাৰে।